**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানতো গণৰাজ্য দিৱসৰ প্ৰস্তুতি অব্যাহত আছে। ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে ইতিমধ্যে খানাপাৰা খেলপথাৰত তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। সমগ্ৰ খেলপথাৰখন সামৰি ল'ব পৰাকৈ চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। খানাপাৰাৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অৰ্ধ সামৰিক বাহিনী, আৰক্ষী, এন চি চি, স্কাউট গাইডসহ মুঠ ২৩টা দলে পেৰেডত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰীভূমি জিলাতো গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত আছে। এই উপলক্ষে কালি শ্ৰীভূমি চহৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক খেলপথাৰত পেৰেডৰ অনুশীলন কৰা হয়।

oooooo

চলিত বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ কালি সামৰণি পৰে। গুণোৎসৱৰ এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং, তামুলপুৰ আৰু বাক্সা জিলাৰ বিভিন্ন বিদ্যালয় সামৰি লোৱা হয়। এই পৰ্যায়ত ৰাজ্যৰ ১৫ হাজাৰ ৬৫০ খন বিদ্যালয়ত ১৩ লাখ ৮৪ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু আনুসাংগিক মূল্যায়ন কৰা হয়। গুণোৎসৱত চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়সমূহৰ উপৰি চাহ বাগিচা আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, নেতাজী সুভাষ চন্দ্ৰ বসু আদৰ্শ বিদ্যালয় আৰু চাহ বাগিচাৰ মালিকানাধীন আন বিদ্যালয়সমূহৰ শৈক্ষিক মূল্যায়ন হয়।

অহা ৪ৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ ৰাজ্যৰ ১০ খন জিলা ক্ৰমে বিশ্বনাথ, বঙাইগাঁও, কাছাৰ, দৰং, ডিব্ৰুগড়, ডিমা-হাচাও, গোৱালপাৰা, মাজুলী, মৰিগাঁও আৰু নলবাৰীক সামৰি তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব।

ooooooo

জনজাতি গৌৰৱ বৰ্ষৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলাৰ নাজিৰাৰ প্ৰৱাহ নামৰ এটা বেচৰকাৰী সংস্থা আৰু অ' এন জি চিৰ উদ্যোগত মঙলবাৰৰ পৰা ১৬ দিনীয়া তিৱা গীত আৰু নৃত্যৰ কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাত মুখ্য প্ৰশিক্ষক তিৱা নৃত্য গুৰু নাদিৰাম দেউৰীয়ে তিৱা নৃত্য-গীতৰ প্ৰশিক্ষণ প্ৰদান কৰিছে। বৃহত্তৰ নাজিৰা অঞ্চলৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰিছে। বিধানসভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই কালি কৰ্মশালাত উপস্থিত থাকি শিক্ষাৰ্থীসকলক উৎসাহ প্ৰদান কৰে।

০০০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। এই উপলক্ষে সাংস্কৃতিক মন্ত্ৰালয়ে নেতাজীৰ জন্মস্থান ওড়িশাৰ কটকত তিনিদিনীয়া উদযাপন সমাৰোহৰ আয়োজন কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে এই সমাৰোহ উদ্বোধন কৰিব।

অসমৰ বিভিন্ন স্থানতো নেতাজীক স্মৰণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকীত নেতাগৰাকীক ৰাজ্যবাসীৰ হৈ স্মৰণ কৰিছে। সদৌ অসম নেতাজী সুভাষ চন্দ্ৰ বসু জয়ন্তী উদযাপন সমিতিয়ে আজি পল্টনবজাৰৰ নেতাজী চ'কত জয়ন্তী উদযাপনৰ দিহা কৰিছে। পুৱা চাৰে ৯ বজাত মন্ত্ৰী পীযূষ হাজৰিকাই দেশপ্ৰেমমূলক শোভাযাত্ৰা মুকলি কৰিব। এই অনুষ্ঠানত মন্ত্ৰী কৃষ্ণেন্দু পালৰ লগতে চণ্ডীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, গুৱাহাটীৰ পৌৰপতি মৃগেন শৰণীয়াই অংশগ্ৰহণ কৰিব।

০০০০০০০

আসন্ন ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি শ্ৰীলংকাত থকা ভাৰতীয় উচ্চ আয়োগে কলম্বোৰ নেলুম পকুনা থিয়েটাৰত কালি বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী অংগৰাগ পাপন মহন্তই গীতেৰে দৰ্শকক মন্ত্ৰমুগ্ধ কৰে। স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত দেশখনত বাস কৰা ভালেসংখ্যক ভাৰতীয় লোক আৰু শ্ৰীলংকাৰ নাগৰিক উপস্থিত থাকে।

০০০০০০০

ভাৰতে যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনত অনুষ্ঠিত পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ইংলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩২ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ অধিনায়ক জ'ছ বাটলাৰে ৪৪ টা বলত সৰ্বাধিক ৬৮ ৰান কৰে। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তীয়ে ৩টা উইকেট দখল কৰে। অৰ্শদীপ সিং, হাৰ্দিক পাণ্ডিয়া আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে।

প্ৰত্যুত্তৰত ভাৰতে ১৩৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১২ অ'ভাৰ আৰু ৫টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ অভিষেক শৰ্মাই মাত্ৰ ৩৪টা বলত ৭৯ ৰান কৰে। সঞ্জু ছেমচনে ২৬ ৰানৰ বৰঙণি আগবঢ়ায় আৰু তিলক বাৰ্মাই ১৯ ৰান কৰি আউট নোহোৱাকৈ থাকে।

শৃংখলাৰ দ্বিতীয়খন খেল পৰহিলৈ চেন্নাইৰ এম এ চিদম্বৰম ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০০০

**সমাপ্ত**